**2018**

# ASSAMESE

## ( Major )

Paper : 6.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখা : ১×৭=৭

(ক) আটাইতকৈ সৰু আৰু খৰতকীয়া সমছন্দটোৰ নাম কি?

(খ) ঝুমুৰী ছন্দৰ আন এটা নাম কি?

(গ) উপমানৰ অৰ্থ কি?

(ঘ) "কাব্যং গ্ৰাহ্যমলংকাৰাৎ" মন্তব্যটো কাৰ?

(ঙ) লেচাৰি ছন্দৰ অক্ষৰ সংখ্যা কিমান?

(চ) "মৃত্যু কুশল কুশল কোঁৱৰে
বিলাই জীৱন ধন,
এখন্তেকীয়া মৰণ কৰিলে
যুগমীয়া সুমৰণ॥"

পংক্তিটোত কি অলংকাৰ হৈছে?

(ছ) ধ্বনি বুলিলে কি বুজা?

২। চমু উত্তৰ লিখা :

(ক) পৰ্ব কাক বোলে?

(খ) স্তৱক কাক বোলে?

(গ) ৰূপক অলংকাৰ কেইই প্ৰকাৰৰ আৰু কি কি?

(ঘ) "মোৰ এই হিয়াখনি জেতুকা পাতৰ দৰে
সেউজীয়া বননিৰ বৰণেৰে ঢকা।"

কবিতাংশ কি অলংকাৰ, বুজাই লিখা।

৩। চমু টোকা লিখা (যি কোনো তিনিটা) : ৫×

ভ্ৰান্তিমান ; ছবি ; শ্লেষ ; পয়াৰ ; কুসুমমালা।

৪। (ক) অসমীয়া ছন্দৰ ত্ৰিধাৰা সম্পৰ্কে এটা আলোচনা লিখা।

*অথবা*

(খ) সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

৫। (ক) কবিপ্ৰসিদ্ধি কি? কবিপ্ৰসিদ্ধি সম্পৰ্কে উদাহৰণসহ আলোচনা কৰা।

*অথবা*

(খ) অনুপ্ৰাস অলংকাৰ কাক বোলে? অনুপ্ৰাস অলংকাৰৰ বিভিন্ন ভাগৰ উদাহৰণসহ আলোচনা কৰা।

৬। (ক) মাত্রাবৃত্ত আৰু স্বৰবৃত্ত ছন্দৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰি ছন্দৰ এই দুটি ধাৰাৰ বিষয়ে আলোচনা কৰা। ১০

অথবা

(খ) মুক্তক ছন্দৰ বিষয়ে উদাহৰণসহ বহলাই আলোচনা কৰি এটি নিবন্ধ যুগুত কৰা।

★★★